যিয়ে এই দুআ পাঠ কৰিবঃ ৰাজীতু বিল্লা-হি ৰাব্বান, অবিল ইছলামি দ্বীনান, অবিমুহাম্মাদিন ৰাছুলা।

আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে এই দুআ পাঠ কৰিবঃ ৰাজীতু বিল্লা-হি ৰাব্বান, অবিল ইছলামি দ্বীনান, অবিমুহাম্মাদিন ৰাছুলা। (অৰ্থঃ মই সন্তুষ্ট হৈছোঁ, আল্লাহক প্ৰতিপালক হিচাপে গ্ৰহণ কৰি, ইছলামক দ্বীন হিচাপে লাভ কৰি, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে গ্ৰহণ কৰি।) তাৰ বাবে জান্নাত অনিবাৰ্য্য।"
[ছহীহ] [(আবু দাঊদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে উক্ত দুআটো পাঠ কৰিব, যাৰ ভাৱাৰ্থ হৈছেঃ মই আল্লাহক ৰব্ব হিচাপে, উপাস্য পৰ্যবেক্ষক মালিক ছায়্যিদ আৰু সংশোধক হিচাপে গ্ৰহণ কৰি, ইছলামৰ সকলো বিধি-বিধান আদেশ-নিষেধ মানি ইয়াক দ্বীন হিচাপে তথা ধৰ্ম হিচাপে মনে প্ৰাণে বিশ্বাস কৰি তথা আত্মসমৰ্পণ কৰি আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে তথা নবী হিচাপে মানি, তেখেতে লৈ অহা যাৱতীয় বাৰ্তাক বিশ্বাস কৰি সন্তুষ্ট হৈছোঁ। সেই ব্যক্তিৰ বাবে জান্নাত ওৱাজিব হৈ যাব।

http://www.sunnah.global/hadeeth/as/show/65906